অধ্যায় ১০ ঃ অসমীয়া পাঁচালী সাহিত্য

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য
১০.২ পৰিচয়
১০.৩ পাঁচালী সাহিত্য
১০.৪ পাঁচালী কবিসকল
১০.৪.১ দুর্গাবৰ কায়স্থ
১০.৪.২ পীতাম্বৰ দ্বিজ
১০.৪.৩ মনকৰ
১০.৪.৩ সুকবি নাৰায়ণদেৱ
১০.৪.৫ ষষ্ঠীবৰ
১০.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১০.৬ অধিক জানিবলৈ
১০.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
১০.৮ আৰ্হি প্ৰশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- পাঁচালী সাহিত্য মানে কি সেই বিষয়ে অৱগত হ'ব
- অসমীয়া পাঁচালী সাহিত্যৰ পটভূমি আৰু ইয়াৰ শ্ৰেণীবিভাজন সম্পৰ্কে জ্ঞাত হ'ব
- অসমীয়া প্ৰধান পাঁচালী কবিকেইজনৰ কাব্যকৃতি সম্পৰ্কে বিস্তৃতভাৱে জ্ঞান আহৰণ কৰিব।

৩.২ পৰিচয়

আগৰ অধ্যায় দুটিত আপুনি উত্তৰ কালৰ অসমীয়া সাহিত্য, প্ৰাক্-শঙ্কৰী যুগৰ অসমীয়া সাহিত্য আৰু শঙ্কৰী যুগৰ অসমীয়া সাহিত্য সম্পৰ্কে অধ্যয়ন কৰিলে। ইতিমধ্যে দ্বিতীয় অধ্যায়টিত উল্লেখ কৰা হৈছে যে শঙ্কৰদেৱৰ সমসাময়িকভাৱে, অৰ্থাৎ পঞ্চদশ শতিকাৰ শেষৰ পৰা ষোড়শ শতিকাৰ আৰম্ভণিৰ সময়ছোৱাত নৱ-বৈষ্ণৱ যুগৰ ভাৱাদৰ্শৰ দ্বাৰা প্ৰভাৱিত নোহোৱাকৈ, লৌকিক ঠাঁচত কাব্য ৰচনা কৰা কেইজনমান সাহিত্যিকৰ জন্ম হৈছিল। এওঁলোকৰ সাহিত্যৰাজিক 'পাঁচালী সাহিত্য' বা 'পাঞ্চালী সাহিত্য' আৰু কবিকেইজনক 'পাঁচালী কবি' বুলি অভিহিত কৰা হয়।

এই অধ্যায়টিত পাঁচালী বা পাঞ্চালী মানে কি, ইয়াৰ বৈশিষ্ট্যসমূহ আৰু পাঁচালী কবি-কেইজনৰ সাহিত্যৰাজিৰ বিষয়ে বহলাই আলোচনা কৰা হ'ব। ইয়াৰ পৰৱৰ্তী অধ্যায়টিত আমি শংকৰোত্তৰ যুগৰ অসমীয়া সাহিত্য সম্পর্কে অধ্যয়ন কৰিম।

৩.৩ পাঁচালী সাহিত্য

নৱ-বৈষ্ণৱ যুগত আত্মপ্রকাশ কৰিলেও বৈষ্ণৱ সাহিত্যৰাজিৰ বিষয়বস্তু, ৰচনাশৈলী, ৰূপ, গঠন আৰু আদর্শগত পার্থক্য বজাই ৰাখি এক শ্রেণীৰ নতুন সাহিত্যৰ সৃষ্টি হৈছিল। অর্থাৎ পাঁচালী বা পাঞ্চালী সাহিত্যৰ সৃষ্টি হৈছিল। মূলতঃ লৌকিকতাক প্রাধান্য দি ওজাপালিৰ উদ্দেশ্যে এই শ্রেণীৰ সাহিত্যৰাজি ৰচনা কৰা হৈছিল। এই শ্রেণী সাহিত্যত বৈষ্ণৱ কবিৰ দৰে ভক্তিৰ প্রতি এঢলীয়া টান নাই। জগতখনৰ প্রতি বিৰক্তি বা উদাস ভাবো পোষণ কৰা দেখা নাযায়। ভাষাও কথিত ভাষাৰ বেছি ওচৰ চপা। কাব্যসমূহৰ চৰিত্রবোৰ লৌকিক মানুহৰ দৰে মানৱীয় দুখ-সুখ, আবেগ-অনুভূতি, দুর্বলতা আদিৰে সিক্ত। দুর্গাবৰ, পীতাম্বৰ, মনকৰ, সুকবি নাৰায়ণদেৰ আৰু ষষ্ঠীবৰ হ'ল এই ভাগটিৰ প্রখ্যাত কবি। এওঁলোকৰ কাব্যকৃতিৰ বিষয়ে বহলাই আলোচনা কৰাৰ আগতে পাঁচালী বা পাঞ্চালী সাহিত্য মানে কি সেই বিষয়ে আলোচনা কৰা হওক।

পাঁচালী মানে কি এই সম্পর্কে বিভিন্ন পণ্ডিতে বিভিন্ন সময়ত ভিন্ ভিন্ মত আগবঢ়াইছে। তাৰে ভিতৰত উল্লেখযোগ্য কেইটিমান হ'ল—

- সংস্কৃত 'পাঞ্চালিকা' শব্দৰ পৰা পাঁচালী বা পাঞ্চালী শব্দটো নিষ্পন্ন হৈছে। পাঞ্চালিকা মানে পুতলা আৰু পুতলা নাচ যুক্ত গীতেই হ'ল পাঁচালী। পূর্বতে পুতলা নাচৰ সৈতে নৃত্য-গীত-অভিনয় কৰাকে পাঞ্চালিকা বিহাৰ বুলি কোৱা হৈছিল। পৰৱৰ্তীকালত পু�ৰণি গুজৰাট, ৰাজস্থানকে ধৰি বঙ্গ আৰু অসমত ই প্রাচীন আখ্যায়িকাৰ সৈতে যুক্ত হয়। লোকসমাজত এইবিধ পৰিৱেশ্য কলাৰ সমাদৰ আজিও বিৰাজমান। *কালিকা পুৰাণত* চণ্ডিকাক উপাসনা কৰাৰ প্রসঙ্গত পূষ্যা নক্ষত্র যুক্তা তৃতীয়া তিথিত পাঞ্চালিকা বিহাৰ আৰু শিশু কৌতুক কৰাৰ বিধান আছে। মহেশ্বৰ নেওগে 'পাঞ্চালিকা বিহাৰ' শব্দটোত পুতলা নাচ অথবা 'পাঁচালী গীত'ৰ আবৃত্তিকে ইংগিত কৰে বুলি মন্তব্য কৰিছে। ঠিক সেইদৰে অঙ্গদেশত ৰচিত *বৃহদ্ধর্ম পুৰাণ* (চতুদর্শ-পঞ্চদশ শতিকা)তো প্রাচীন পাঞ্চালী নাট-গীতৰ আভাস আছে।ইয়াৰ পৰাই ধাৰণা কৰিব পাৰি যে অতি পুৰণি কালৰে পৰাই পাঞ্চালী বা পাঁচালী গীতৰ পৰম্পৰা এটা প্রচলন হৈ আহিছে।
- নাট্যশাস্ত্রতো বিভিন্ন নাট্য প্রবৃত্তিৰ আলোচনাৰ প্রসঙ্গত পাঞ্চালী প্রবৃত্তিৰ নাম উল্লেখ কৰি নৃত্য-গীত আৰু খোজৰ আধিক্য থকাৰ কথা উনুকিওৱা হৈছে।
- পাঞ্চাল বা কনৌজ দেশত প্রচলিত নৃত্য-গীত বিশিষ্ট যি গীত শৈলী অঙ্গদেশলৈ আহি প্রতিপত্তি লাভ কৰে তাকে পাঁচালী বুলি 'দশৰথি ও তাহাৰ পাঞ্চালী'ৰ ভূমিকাত হৰিপদ চক্রৱর্তীয়ে মন্তব্য কৰিছে।

- এসময়ত কোনো পুৰা কথা আবৃত্তি কৰাৰ প্ৰসঙ্গত দৃশ্য-শ্ৰব্য উভয় দিশৰ দাবী পূৰণ কৰাৰ স্বাৰ্থতে পুতলা নাচৰ দৰে অনুষ্ঠেয় কলাৰ সংযোগ ঘটে। অৰ্থাৎ পুতলা নাচৰ দৰে পৰিৱেশ্য কলাক ধৰ্মীয় কৃত্যত দৃশ্য-শ্ৰাব্য দিশ সম্পাদন কৰিবলৈ সংযোগ কৰা হয়। এই নব্য ৰূপ প্ৰদান কৰিবলৈ চেষ্টা কৰাৰ ফলতেই ই 'পুতলা নাচ'ৰ পৰা 'পাঞ্চালিকা বিহাৰ'লৈ ৰূপান্তৰিত হয়। কালক্ৰমত ইয়াৰ লগত জড়িত অৰ্থাৎ পাঞ্চালিকা বিহাৰৰ লগত জড়িত পুৰা কথাই পাঞ্চালী বা পাঁচালী গীত ৰূপে কল্প সলায়। এনে পৰম্পৰাৰে সুযোগ্য বাহক আৰু ধাৰক হিচাপে অসমৰ 'ওজাপালি' অনুষ্ঠানক নবীনচন্দ্ৰ শৰ্মাই চিহ্নিত কৰিছে। তেওঁ মন্তব্য কৰিছে যে মনসা পূজাৰ লগত জড়িত ওজাপালি অনুষ্ঠানত কাহিনীৰ বিষয়বস্তুৰ লগত সংগতি ৰাখি নৃত্য আৰু অভিনয় প্ৰদৰ্শন কৰা হয় আৰু ইয়ে পাঞ্চালী বা পাঁচালী পৰম্পৰা ৰূপে পৰিগণিত হয়। এইফালৰ পৰা চাবলৈ গ'লে দেৱ-দেৱীৰ মহিমা প্ৰকাশক প্ৰাচীন কাহিনী বা পুৰা কথাই পাঞ্চালী বা পাঁচালী গীত ৰূপে আত্মপ্ৰকাশ কৰে বুলি ক'ব পাৰি।
- কোনো কোনো পণ্ডিতৰ মতে পঞ্চ অঙ্গযুক্ত সঙ্গীত শৈলীয়েই পাঞ্চালী বা পাঁচালী। সঙ্গীতৰ পঞ্চ অঙ্গ হ'ল— গান, সাজপাৰ, গীতৰ দ্বৈত অনুশীলন, গীত ৰচনা-ৰীতি আৰু নৃত্য। ওজাপালি অনুষ্ঠানতো এই পাঁচটা অঙ্গ বিৰাজমান। আনহাতে, ওজাপালি অনুষ্ঠানত পাঁচজন গায়ক-বাদক থাকে বাবেও পাঞ্চালী বা পাঁচালী হ'ব পাৰে বুলি বহুতে মত আগবঢ়ায়। তদুপৰি ওজাপালিৰ গীতত দিহা বা ধুৱা, ৰাগ, পদ, বানা আৰু ভণিতা— এই পাঁচ অঙ্গ থাকে বাবেও পাঞ্চালী বা পাঁচালী বুলি কোৱা হয় বুলিও এচামে মন্তব্য কৰে।
- গৌড়ীয় বৈষ্ণৱ সঙ্গীত-শাস্ত্ৰকাৰ নৰহৰি চক্ৰৱৰ্তীয়ে অতি বিস্তীৰ্ণ ধ্ৰুবাপদ বা ধ্ৰুবাৰহিত পদযুক্ত গানক পাঁচালী বুলি অভিহিত কৰিছে।
- কোনো কোনো পণ্ডিতৰ মতে পাঁচালী হ'ল একধৰণৰ গীত বা সুৰ। এই সুৰত গোৱা গীতেই পাঁচালী। আনহাতে পয়াৰ ছন্দকো বহুতে পাঁচালী বুলি ক'ব খোজে, অৱশ্যে এয়া আধুনিক স্বৰাবৃত্ত পয়াৰ নহয়।
- সমালোচক সত্যেন্দ্ৰনাথ শৰ্মাই "পাঁচালি কাব্যত সম্ভৱতঃ প্ৰথম স্তৱত গীতৰ মাধ্যমেদিয়েই ওজাই কাহিনী ৰূপায়ণ কৰিছিল আৰু তাকে কৰোঁতে বহু সময়ত ব্যাখ্যা প্ৰসঙ্গত কথা বহলাই বৰ্ণনা কৰিব লগা হৈছিল। গীতবোৰৰ মাজত থকা সুৰঙাখিনি পূৰাবৰ কাৰণে ওজাই বৰ্ণনাত্মক পদ সংযোগ কৰি যোৱা ৰীতি, ক্ৰমে প্ৰৱৰ্তন কৰে। ফলত প্ৰত্যেক গীতৰ পাছত কিছু বৰ্ণনাত্মক পদ অন্তৰ্ভুক্ত কৰি পাঁচালি কাব্য ৰীতিত এইদৰেই প্ৰৱৰ্তন কৰে" বুলি মত আগবঢ়াইছে।

এই আলোচনাৰ পৰা এটা কথা স্পষ্টৰূপে প্ৰতিভাত হৈছে যে পাঁচালী বা পাঞ্চালী এক প্ৰকাৰৰ সাঙ্গীতিক শৈলী। এই বিষয়ে পাঁচালী কবি ৰূপে পৰিচিত সাহিত্যিকসকলৰ ৰচনাতো এনেদৰে পোৱা যায়—

"সুকবি নাৰায়ণ দেৱৰ সৰল পাঞ্চালী।
পয়াৰ প্ৰবন্ধে বুলি একয় লাচাৰি।।" (নাৰায়ণদেৱ)

ঠিক সেইদৰে দুর্গাবৰে কৈছে—

"পেহুলাইৰ পাঞ্চালি এহিমানে সমাপতি।
বিষহৰিক বন্দি দুর্গাবৰে নিগতি।।"

পীতাম্বৰে লিখিছে ঃ

"মোৰ দোষ মৰসিয়ো সভাসদ লোক।
ৰচিবো পাঞ্চালি তাতে জত দোষ থাকে।।"

মনকৰ, দুর্গাবৰ আৰু সুকবি নাৰায়ণদেৱ আদি প্ৰসিদ্ধ পাঁচালী কবিয়ে এনেদৰে তেওঁলোকৰ ৰচনাৰ উল্লেখ কৰাৰ পৰা অনুমান কৰিব পাৰি যে খ্ৰীঃ ১৫শ ১৬শ শতিকাত এই পাঁচালী সঙ্গীত পৰম্পৰাই লিখিত ৰূপ লাভ কৰে আৰু পাঁচালী সাহিত্য ৰূপে চিহ্নিত হয়। প্ৰসঙ্গক্ৰমে উল্লেখ্য যে বৈষ্ণৱ কবিকূলে এই শ্ৰেণীৰ সাহিত্যৰাজিক বৰ উদাৰ দৃষ্টিৰে চোৱা নাছিল। লৌকিকতাক অধিক গুৰুত্ব দিয়াৰ বাবে শঙ্কৰদেৱে পীতাম্বৰ কবিৰ পদ শুনি 'তামসিক কবি' বুলিও মন্তব্য কৰিছিল। তথাপিও প্ৰণিধানযোগ্য যে ক'ব নোৱাৰাকৈ হ'লেও ইয়াৰ প্ৰভাৰ বৈষ্ণৱ সত্ৰসমূহত পৰিছিল। আউনীআটী সত্ৰত প্ৰচলিত 'পাঞ্চালী ওজাপালি' বা 'পাঞ্চালী গায়ন-বায়ন' ইয়াৰ এক প্ৰকৃষ্ট নিদৰ্শন।

বিষয়বস্তুৰ আধাৰত অসমীয়া পাঁচালী সাহিত্যক সংস্কৃতিবিদ আৰু সাহিত্য সমালোচক নবীন চন্দ্ৰ শর্মাই তিনিটা শ্ৰেণীত বিভাজন কৰিছে। সেই কেইটা হ'ল—

- মহাকাব্যীয় পাঁচালী
- মনসা বা বিষহৰী বিষয়ক পাঁচালী আৰু
- বিবিধ বিষয়ক পাঁচালী

যিবোৰ পাঁচালী সাহিত্যৰ আধাৰ গ্ৰন্থ *মহাভাৰত, ৰামায়ণ* বা এনে *পুৰাণ*— তেনে পাঁচালীসমূহক মহাকাব্যীয় পাঁচালী বুলি আখ্যা দিয়া হয়। উদাহৰণ— পীতাম্বৰ দ্বিজৰ *ঊষা পৰিণয়, দুর্গাবৰৰ গীতি ৰামায়ণ* ইত্যাদি। বিষ্ণু বা কৃষ্ণ কথা-বৃত্তৰ লগত জড়িত গীত-পদ আদিক কলাত্মক ৰূপ প্ৰদান কৰাই হ'ল মহাকাব্যীয় পাঁচালীৰ মূল উদ্দেশ্য। অৱশ্যে শাক্ত ভাবাপন্ন গীতপদ কোনো কোনো প্ৰসঙ্গত আবৃত্তি কৰাৰ প্ৰৱণতাও এই শ্ৰেণীৰ ওজাপালিত দেখা যায়। কিন্তু এইবোৰ অৰ্বাচীন বুলি নবীন চন্দ্ৰ শর্মাই মন্তব্য কৰিছে।

মনসা দেৱীৰ গুণানুকীর্ত্তন কৰা পাঁচালী সাহিত্যৰাজিকে মনসা বা বিষহৰী বিষয়ক পাঁচালী সাহিত্য বোলা হয়। মনকৰ তথা দুর্গাবৰৰ *মনসা কাব্য*, সুকবি নাৰায়ণদেৱৰ *পদ্মাপুৰাণ* আৰু ষষ্ঠীবৰৰ *মনসা পুৰাণ* এই শ্ৰেণীৰ পাঁচালী সাহিত্যৰ উদাহৰণ। মনসা শাখাৰ পাঁচালী গীতত সর্পৰ অধিষ্ঠাত্ৰী দেৱী মনসাক অর্চনা কৰা হয়। মনসাৰ বিশেষণ আৰু শক্তিলৈ লক্ষ্য ৰাখি এওঁৰ অভিব্যক্তিত আর্য্য-অনার্য্য, বৈদিক-অবৈদিক, হিন্দু-বৌদ্ধ-জৈন আদি ধর্মীয় পৰম্পৰাৰ সংস্কৃতি আৰু বিশ্বাসৰ সংমিশ্ৰণ ঘটিছে বুলি ভাবিবৰ থল

আছে। উল্লেখ্য যে, *ব্রহ্ম-বৈৱর্ত পুৰাণ*ৰ বাদে আন সংস্কৃত পুৰাণসমূহত মনসাৰ মাহাত্ম্য বর্ণনা কৰা দেখা নাযায়। অসমতো মনসা পূজা কেতিয়াৰ পৰা প্রচলন আছিল কোৱা টান। খ্রীষ্টিয় একাদশ শতিকামানত হাতীৰ ওপৰত অধিষ্ঠিত 'নাগেন্দ্র বাহিনী মনসা'ৰ মূর্তি নুমলীগড় অঞ্চলত উদ্ধাৰ হৈছে। ইয়াৰ পৰাই অনুমান কৰিব পাৰি যে অতি প্রাচীনকালৰ পৰাই অসমত মনসা পূজাৰ প্রচলন আছিল।অৱশ্যে খ্রীষ্টিয় ত্রয়োদশ শতিকাৰ মানৰ পৰাই ব্রাহ্মণ্য ধর্মপূজাৰ পদ্ধতিত মনসাদেৱীৰ পূজাৰ প্রচলন হয়। ইয়াৰ অনুষংগতে মনসাৰ মাহাত্ম্যা জ্ঞাপক গীত-পদ (পোঞাৰ পাঁচালী) ওজাপালিয়ে পৰিৱেশন কৰে। ইয়াৰ লগতে দেওধানী উঠাৰ পৰম্পৰা এটিও গা কৰি উঠে। উল্লেখ্য যে, মনসা পূজাৰ উপলক্ষে গোৱা পাঁচালী গীত-পদক দুটা ভাগত ভাগ কৰিব পাৰি। যথা মনসা বা পদ্মাৰ জন্ম বৃত্তান্ত আৰু বেউলা আখ্যান।

এই দুয়োটা শ্রেণীবিভাজনৰ পৰিধিয়ে সামৰিব নোৱাৰা পাঁচালী সাহিত্যৰাজিকে বিবিধ বিষয়ক পাঁচালী বুলি নবীনচন্দ্র শর্মাই চিহ্নিত কৰিছে। এই শ্রেণীৰ পাঁচালীৰ বিষয়বস্তু বিবিধ উৎসৰ পৰা সংগৃহীত। বিশ্বেশ্বৰ দ্বিজৰ নামত প্রচলিত *শ্রীশ্রী সত্য নাৰায়ণ পাঁচালী*, জয়ৰাম দাসৰ *শ্রীশ্রী শীতলা পাঁচালী*, অজ্ঞাত কবিৰ *শ্রীশ্রী লক্ষ্মীচৰিত পাঁচালী*, *শ্রীশ্রী শনিদেৱৰ পাঁচালী*, *ত্রিনাথ পাঁচালী* আৰু দীন দ্বিজবৰৰ *মাধৱ সুলোচনা* আদি এই শ্রেণীৰ অন্তর্গত। দীন দ্বিজবৰৰ কাব্যখনত পাঁচালী নামতো যুক্ত হৈ থকা নাই যদিও কবিজনাই নিজেই উল্লেখ কৰিছে—

"মালিনী কহিলা মাধৱৰ ৰূপ গুণ।
দ্বিজবৱে ৰচিলা পাঞ্চালী সবে শুন।।"

ইয়াৰ পৰাই এই কাব্যখনো যে পাঁচালী সঙ্গীতৰ শৈলীতে ৰচনা কৰা হৈছিল সেই বিষয়ে ধাৰণা কৰিব পাৰি।



জানি থোৱা ভাল

পাঁচালী সঙ্গীতৰাজিত ৰাগ-সঙ্গীতৰ প্রয়োগ মন কৰিবলগীয়া। পাঁচালী কবিসকলৰ কাব্যত গীতসমূহৰ নির্দিষ্ট ৰাগ বান্ধি দিয়া হৈছে। এইবোৱে অসমত পূর্বৰে পৰা প্রচলন থকা মার্গীয় সঙ্গীতৰ এক বলিষ্ঠ ধাৰাৰ কথা প্রতিপন্ন কৰে। এতিয়াও ওজা পৰম্পৰাৰ মাজেদি কিছু পৰিমাণে হ'লেও মূলানুগত হৈ এই ৰাগ-সঙ্গীতৰ পৰম্পৰা অসমৰ বিভিন্ন ঠাইত প্রচলন হৈ আছে।

উপর্যুক্ত আলোচনাত আমি পাঁচালী সাহিত্য মানে কি, পাঁচালী সাহিত্যৰ পটভূমি আৰু অসমীয়া পাঁচালী সাহিত্যৰ শ্রেণীবিভাজন সম্পর্কে সম্যক ধাৰণা লাভ কৰিলোঁ। তলৰ শাখাটিত আমি পাঁচালী কবিকেইজনৰ পৰিচয় আৰু তেওঁলোকৰ কাব্যকৃতি সম্পর্কে অধ্যয়ন কৰিম।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ পাঁচালী বা পাঞ্চালী সাহিত্য সৃষ্টি সম্পর্কে থকা মতামতসমূহ বিশ্লেষণ কৰক?

(১৫০-৩০০টা শব্দৰ ভিতৰত লিখক।)

৩.৪ পাঁচালী কবিসকল

ইতিমধ্যে আমি উল্লেখ কৰিছো যে পীতাম্বৰ দ্বিজ, মনকৰ, সুকবি নাৰায়ণদেৱ, দুর্গাবৰ আৰু ষষ্ঠীবৰ হ'ল এই কাব্য পৰম্পৰাৰ প্রখ্যাত কবি। তলত তেওঁলোকৰ জীৱন আৰু কৃতিৰ বিষয়ে আলোচনা দাঙি ধৰা হ'ল।

৩.৪.১ দুর্গাবৰ কায়স্থ

মহাকাব্যীয় আৰু মনসা-বিষহৰী এই দুয়োটা শ্রেণীৰে পাঁচালী পৰম্পৰাৰ কথাবৃত্তক লিখিত ৰূপ প্রদান কৰা দুর্গাবৰ কায়স্থৰ আত্মপৰিচয় বৰ বিশেষভাৱে পোৱা নাযায়। এওঁ লিখা *ৰামায়ণ*খনতো কোনো আত্মপৰিচয়মূলক কথা পোৱা নাযায়। *পদ্মাপুৰাণ*তো যৎকিঞ্চিতহে ব্যক্ত হৈছে—

"কায়স্থ শ্রীচন্দ্রধৰ আন পুত্র দুর্গাবৰ
বিৰচিলা গীত বিতোপন"

দুর্গাবৰে অৱশ্যে একাধিক স্থানত বাহুবল শিকদাৰ নামৰ এগৰাকী ব্যক্তিৰ কথাও উল্লেখ কৰিছে—

- *"বাহুবল শিকদাৰ গন্ধর্ব যে অৱতাৰ।*
  কবি দুর্গাবৰে গীত কৰিলা প্রচাৰ।।"
- *"বাহুবল শিকদাৰ যে পোৱা সুপ্রসন্নে।*
  চিৰঞ্জীৱ হোক কবি দুর্গাবৰে ভণে।।"

এনে ভণিতাৰ পৰা দুর্গাবৰে কায়স্থ কুলৰ জন্ম লাভ কৰিছিল বুলি গম পোৱাৰ লগতে তেওঁৰ পিতাকৰ নাম শ্রীচন্দ্রধৰ কায়স্থ বুলি ধাৰণা কৰিব পাৰি। তদুপৰি তেওঁ বাহুবল শিকদাৰ নামৰ এগৰাকী বিষয়াৰ পৃষ্ঠপোষকতাত পদ্মাৰ গীত প্রচাৰ কৰাৰ কথা এই ভণিতাসমূহে আমাক জনায়। এওঁ নীলগিৰি পাহাৰৰ নীলাচল গ্রামত থাকি *পদ্মাপুৰাণ*ৰ গীত ৰচনা কৰিছিল। উল্লেখ্য যে কবিজনায়ো মনসা বিষয়ক পুথিখনক 'কাব্য' আখ্যা দিয়াৰ বিপৰীতে 'গীত' বুলিহে আখ্যা দিছে। যথা— 'কবি দুর্গাবৰে গীত কৰিলা বাখ্যান।' বা 'কবি দুর্গাবৰ গীত অমূল।' *পদ্মাপুৰাণ*ত দুর্গাবৰে কমতাৰাজ বিশ্বসিংহৰ বন্দনা কৰিছে—

"কমতা ঈশ্বৰে ৰাজা বন্দো বিশ্বসিংহ নৃপবৰ।
আঠচল্লিশ মহিষী বন্দো ওঠৰ কোঁৱৰ।।
পিতৃ-মাতৃক বন্দো সহস্ৰেক বাৰ।
গুৰুৰ চৰণ বন্দিবো শতবাৰ।।"

এনে দৰে কৰা বন্দনাৰ পৰা অনুমান কৰিব পাৰি যে এইজনা কবিৰ সময়সীমা বিশ্বসিংহৰ সমসাময়িক আছিল। বুৰঞ্জীকাৰসকলে বিশ্বসিংহৰ সময়সীমা ষোড়শ শতিকাৰ প্ৰথমার্দ্ধত স্থাপন কৰিছে। সেই ফালৰ পৰা দুর্গাবৰকো ষোড়শ শতিকাৰ প্ৰথমার্দ্ধত স্থাপন কৰিব পাৰি।

বৰ্তমানলৈকে কবিজনাই ৰচনা কৰা দুখন পুথিৰ সন্ধেদ পোৱা গৈছে। যথা— *পদ্মাপুৰাণ* বা *পোঞাৰ পাঁচালী* আৰু *ৰামায়ণ*। এই দুয়োখন পুথিয়েই হাজো অঞ্চলৰ পৰা উদ্ধাৰ হোৱালৈ চাই কবিজনাৰ জন্মস্থান হাজো অঞ্চল আছিল বুলিয়েই *গীতি ৰামায়ণৰ* প্ৰথম গৰাকী সম্পাদক বিষয়চন্দ্ৰ বিশ্বাসীয়ে মত পোষণ কৰে। বিষয়বস্তু, ৰচনাশৈলী, সাঙ্গীতিক বৈশিষ্ট্য আৰু ভাব-ভাষাৰ বৈশিষ্ট্যৰ ফালৰ পৰা *পদ্মাপুৰাণখন* কবিৰ প্ৰথম আৰু *ৰামায়ণখন* দ্বিতীয় ৰচনা বুলি ঠাৱৰ কৰা হৈছে।

প্ৰায় তেৰশ পদ বিশিষ্ট আৰু ১৫৫টা গীত সন্নিৱিষ্ট দুর্গাবৰৰ পদ্মা পুৰাণখনত সৰ্পৰ অধিস্থাত্ৰী দেৱী পদ্মাৰ মহিমা কীৰ্ত্তন কৰা হৈছে। 'পদুমাইৰ দাস' দুর্গাবৰে প্ৰথমেই পদ্মাৰ চৰণ বন্দনা কৰি মনসা গীত ৰচনা কৰিছে। ইয়াৰ লগতে বিভিন্ন দেৱ-দেৱীকো প্ৰণিপাত জনাবলৈ পাহৰা নাই। এই কাব্যখনত চান্দো সদাগৰৰ কাহিনী আৰু বেউলাৰ আখ্যান বৰ্ণিত হৈছে। চন্দ্ৰধৰ সাউদৰ চম্পাৱতী নগৰৰ বৰ্ণনাৰে মূল কাহিনী আৰম্ভ কৰা এই কাব্যখনত সোনেকাৰ সন্তানহীনতাৰ দুখ, পুত্ৰলাভৰ উপায়, পুত্ৰৰ জন্ম, বিৱাহ, সোনেকাৰ পদুমাই পূজাৰ আয়োজন, চান্দোৰ দ্বাৰা পূজা নষ্ট, পদ্মাৰ কোপ আৰু বিৰোধ, চন্দ্ৰধৰৰ ওপৰত পদ্মাৰ প্ৰতিশোধমূলক অত্যাচাৰ, পদ্মাৰ বৰত সোনেকাৰ লখিন্দৰ পুত্ৰ লাভ, বেউলাৰ সৈতে বিৱাহ, সৰ্পদংশন, লখিন্দৰৰ মৃত্যু, পতিৰ প্ৰাণ বিচাৰি বেউলাৰ অনিশ্চিত যাত্ৰা, নেতাৰ সহায়ত স্বৰ্গত উপস্থিত, লখিন্দৰৰ প্ৰাণ লাভ, বেউলাৰ চম্পাৱতী নগৰলৈ প্ৰত্যাৱৰ্তন আৰু পদ্মাপূজা কৰিবলৈ চন্দ্ৰধৰৰ সন্মতিৰে কাব্যখন সামৰণি পৰিছে।

এই কাব্যখনত কাহিনী বৰ্ণনা, চৰিত্ৰৰ সৃষ্টি আৰু তেওঁলোকৰ মানসিক স্থিতিৰ চিত্ৰণ, পৰিৱেশ ৰচনা আৰু উপস্থাপন শৈলীত দুর্গাবৰে নিজস্ব মৌলিক প্ৰতিভাৰ স্বাক্ষৰ দাঙি ধৰিছে। ঘৰুৱা চিত্ৰকল্পৰ প্ৰয়োগ, ভাষাৰ প্ৰয়োগ এই কাব্যৰ মূল বৈশিষ্ট্য। উল্লেখ্য যে দুর্গাবৰৰ শৃঙ্গাৰ ৰস বৰ্ণনা বৰ সুৰুচিপূৰ্ণ, কৰুণ ৰসসিক্ত গীতসমূহ মৰ্ম্মস্পৰ্শী আৰু কাব্যখনত সন্নিৱিষ্ট গীতসমূহত ৰাগ-ৰাগিনীৰ উল্লেখে কবিজনাৰ সঙ্গীতৰ ক্ষেত্ৰত থকা পাৰদৰ্শিতাৰ কথা প্ৰমাণ কৰে। মূলতঃ ৰামগিৰি, সুহাই, ভাঠিয়ালী আৰু পটমঞ্জৰী ৰাগ-ৰাগিনীৰ প্ৰয়োগ এই কাব্যখনত অধিক। কবিজনাই মূল কাহিনী বৰ্ণনা কৰোঁতে বিভিন্ন উপকাহিনী, শাখা-প্ৰশাখাৰে কাব্যখন ভাৰাক্ৰান্ত নকৰি পোনপটীয়াভাৱে মূল

কাহিনী ভাগ উপস্থাপন কৰাত অধিক গুৰুত্ব আৰোপ কৰিছে। কাব্যখনত "মানুহ দেৱতালৈ পৰিণত হৈছে আৰু দেৱতা মানুহৰ শাৰীলৈ নামি আহিছে।" তদুপৰি সমসাময়িক সমাজ আৰু লোকজীৱনৰ চিত্রায়ণে কাব্যখনক লোকমহাকাব্যৰ গাম্ভীর্য প্রদান কৰিছে।

দুর্গাবৰৰ দ্বিতীয়খন পুথি হ'ল *গীতি ৰামায়ণ*। উল্লেখ্য যে এই *ৰামায়ণ*খন পাঁঞ্চালী শৈলীত উপস্থাপন কৰা বাবে *দুর্গাবৰৰ ৰামায়ণ, দুর্গাবৰী* বা *দুর্গাবৰী ৰামায়ণ* ৰূপেহে পৰিচিত। পুথিখনৰ প্রথম সংকলক সম্পাদক বিষয়চন্দ্র বিশ্বাসীয়ে ইয়াৰ নাম *গীতি ৰামায়ণ* বুলি উল্লেখ কৰিছে। পুথিখনৰ শেষত কবিগৰাকীয়ে 'দুর্গাবৰী সমাপ্তী' বুলিহে উল্লেখ কৰাৰ পৰা অনুমান কৰিব পাৰি যে পুথিখনৰ প্রথম সম্পাদক হাজোৰ বিষয়চন্দ্র বিশ্বাসীয়ে (১৯১৫ খ্রীঃ)হে পুথিখনৰ নাম *গীতি ৰামায়ণ* বুলি নামকৰণ কৰিছিল। এই সম্পর্কে তেওঁ পুথিখনৰ পাতনিতে উল্লেখ কৰা কথাখিনি প্রণিধানযোগ্য— "বর্তমান পুথিখনিৰ নাম দুর্গাবৰী। দুর্গাবৰ নামৰ জনৈক কবিৰ লিখা এই নিমিত্তে এই নামেই সর্বসাধাৰণৰ ওচৰত পৰিচিত। অন্য পক্ষত ইয়াক *গীতি ৰামায়ণ*হে বুলিব পাৰি, যিহেতু ইয়াৰ বর্ণিত বিষয়ৰ ৰচনা ৰাগ আৰু পদত। এনেকুৱা কাব্য আমাৰ ভাষাত প্রায়ে বিৰল।"

পৰৱর্তী কালৰ মহেশ্বৰ নেওগেও ১৯৫৪ এই পুথিখন প্রথম সংস্কৰণৰ আধাৰত *দুর্গাৱৰী গীতি ৰামায়ণ* নামেৰে প্রকাশ কৰে। ১৯৯২ চনত শশী শর্মায়ো *দুর্গাৱৰী ৰামায়ণ*ৰ এটা সংস্কৰণ সম্পাদনা কৰে। এই গোটেই কেইটা সংস্কৰণতে প্রথম দুটা কাণ্ড (বাল আৰু অযোধ্যা) সংকলিত হোৱা নাছিল, কাৰণ এই দুয়োটা কাণ্ড তেতিয়ালৈকে বিচাৰি পোৱাই নাছিল। কেইবছৰমানৰ পূর্বে ১৯৯৪ চনত হাজোৰ তৰু চন্দ্র ভাগৱতীৰ পৰা পুথিখনৰ 'অযোধ্যা কাণ্ড'টি সংগ্রহ কৰি প্রবীন চন্দ্র দাসে এই কাণ্ডটি সংযোজন কৰি *দুর্গাবৰী ৰামায়ণ* ৰূপে প্রকাশ কৰে।

দুর্গাবৰে মাধৱ কন্দলীৰ *ৰামায়ণ*খনকে আধাৰ হিচাপে লৈ এই *গীতি ৰামায়ণ*খন ৰচনা কৰাৰ বাবে অৰণ্যকাণ্ডটিৰ বাদে বাকীকেইটাত বৰ বেছি মৌলিকত্বৰ পৰিচয় পোৱা নাযায়। অৱশ্যে অৰণ্যকাণ্ডটিত কবি প্রতিভাৰ চূড়ান্ত স্ফুৰণ ঘটা দেখা গৈছে। গোটেই কাব্যখনৰ অধিকাংশ ঠাই আগুৰি আছে এই খণ্ডটিয়ে। দুর্গাবৰে ইয়াত মূলৰ পৰা আহৰণ কৰা ঘটনাৰ লগতে মৌলিক পৰম্পৰাত প্রচলিত ৰামকথাও সংযোগ কৰিছে। উদাহৰণ স্বৰূপে— সীতাৰ দ্বাৰা দশৰথক বালিৰ পিণ্ডদান, মায়া অযোধ্যাৰ সৃষ্টি আৰু মোট খেলৰ বর্ণনা, শূর্পণখাৰ প্রেমৰ বিষময় পৰিণতি, ৰামৰ বেদনাবিধুৰ অৱস্থা, ৰাৱণ আৰু মন্দোদৰীক সীতাৰ দ্বাৰা পিতৃ-মাতৃ ৰূপে পৰিচয় প্রদান, চাকৈচকোৱা আৰু বগুলাৰ অনুকথা, ৰামৰ প্রতি তাৰাৰ অভিশাপ, আদি কবিৰ স্বকীয় সৃষ্টি আৰু এইবোৰে কবিৰ মৌলিকত্ব আৰু সৃজনী শক্তিৰ পৰিচয় দাঙি ধৰে।

দুর্গাবৰৰ *ৰামায়ণ*খনত ৰাম অৱতাৰী পুৰুষ হ'লেও কাম-কাজ বা কাণ্ড-কাৰখানাবোৰ লক্ষ্য কৰিলে সাধাৰণ মানুহৰ চাৰিত্রিক বৈশিষ্ট্যহে ফুটি উঠে। সেইবাবেই

হয়তো বাণীকান্ত কাকতিয়ে *গীতি ৰামায়ণক* লৌকিকতাৰ আৱেগ আৰু *বাল্মিকী ৰামায়ণৰ* 'গাৱলীয়া তাঙৰণ' বুলি অভিহিত কৰিছে। এই ক্ষেত্ৰত মহেশ্বৰ নেওগৰ এযাৰ মন্তব্য স্মৰ্তব্য— 'অৰণ্যকাণ্ডৰ শেষৰ ফালৰ পৰাই পিছৰ ডোখৰ লক্ষ্য কৰিলে *গীতি ৰামায়ণক* মাধৱ কন্দলিৰ *পদ ৰামায়ণৰ* ওজাপালি তাঙৰণ বুলিহে বেছি ৰজিতা খাব যেন লাগে।' এই কাব্যখনত ৰাগ-ৰাগিনীৰ প্ৰয়োগ এক উল্লেখনীয় বৈশিষ্ট্য। অহিৰ, আকাশমণ্ডলি, কম্বাৱ, গুঞ্জৰি, চালনি, দেৱজিনি, দেৱমোহন, ধনশ্ৰী, পটমঞ্জৰী, শ্ৰীগান্ধাৱ, বৰাৰি, বসন্ত, সুহাই, ভৈৰৱী, মাৰোৱাৰ, ভাঠিয়ালী, ৰামগিৰি আদি ৰাগ-ৰাগিনীৰ সুষম প্ৰয়োগ ঘটিছে। এক কথাত ক'ব পাৰি অসমীয়া ৰামায়ণী পৰম্পৰাত দুৰ্গাবৰৰ স্থান বৈশিষ্ট্যপূৰ্ণ।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ 'বাল্মীকি ৰামায়ণৰ গাঁৱলীয়া তাঙৰণ' —এই কথাষাৰৰ আধাৰত দুৰ্গাবৰৰ *গীতি ৰামায়ণখনৰ* বিচাৰ কৰক ?

(১৫০-৩০০টা শব্দৰ ভিতৰত লিখক।)

৩.৪.২ পীতাম্বৰ দ্বিজ

পীতাম্বৰ কবিৰ ব্যক্তিগত জীৱনৰ বিষয়ে বৰ বিশেষ একো জনা নাযায়। তাৰ কাৰণ হিচাপে চিহ্নিত কৰিব পাৰি— তেওঁৰ দ্বাৰা ৰচিত পুথিসমূহ দুষ্প্ৰাপ্য। বৰ্তমানলৈকে *ঊষা পৰিণয়খনৰ* বাদে এওঁৰ দ্বাৰা বিৰচিত আন গ্ৰন্থ অসমত উদ্ধাৰ হোৱা নাই। বাকীখিনি কোচ বিহাৰত সংৰক্ষিত হৈ আছে আৰু তেওঁৰ সাহিত্যৰাজি বঙলা সাহিত্যৰ অন্তৰ্ভুক্ত কৰা হৈছে। অৱশ্যে দুটা কথা খাটাং যে তেওঁ শঙ্কৰদেৱৰ সমসাময়িক আছিল আৰু বিশ্বসিংহৰ পুত্ৰ সমৰসিংহ অৰ্থাৎ নৰনাৰায়ণ নৃপতিৰ ভাতৃ চিলাৰায়ৰ পৰা পৃষ্ঠপোষকতা লাভ কৰিছিল। তদুপৰি তেওঁৰ জন্মস্থান তথা বাসস্থান কোচৰাজ্যৰ ৰাজধানী কমতাপুৰ আছিল।

অসমীয়া চৰিত সাহিত্যত পীতাম্বৰ কবিৰ *দশমস্কন্ধৰ* অনুবাদ শঙ্কৰদেৱে নাকচ কৰাৰ এটি প্ৰসঙ্গ সন্নিৱিষ্ট হৈছে। ১৫৪৬ খ্ৰীঃ মানত মহাপুৰুষ শঙ্কৰদেৱে বৰপেটা অঞ্চলত থাকিবলৈ লোৱা সময়তে নতুনকৈ শৰণ লোৱা নাৰায়ণ ঠাকুৰক সেই অঞ্চলৰ উল্লেখযোগ্য ব্যক্তিসকলৰ নাম সোধে। ইয়াৰ প্ৰসঙ্গতে নাৰায়ণ ঠাকুৱে পীতাম্বৰ কবিৰ কথা ব্যক্ত কৰি তেওঁ যে *দশম* স্কন্ধৰ পদ অসমীয়ালৈ ভাঙিছে সেই কথা প্ৰকাশ কৰে। শঙ্কৰদেৱে তাৰ পদ মাতিবলৈ কোৱাত নাৰায়ণ ঠাকুৱে শুনালে—

"বিলাপ কৰি কান্দে দেৱী ৰুক্মিণী।
কোন অংগে খুন দেখি নাইলা যদুমণি।।"

এনে বর্ণনা শুনি শঙ্কৰদেৱে তেওঁ 'তামসিক কবি' বুলি তি�ৰস্কাৰ কৰে। এই সাক্ষ্য মানি ল'লে আমি কবিজনাৰ কেইটিমান দিশ সম্পর্কে ধাৰণা কৰিব পাৰো। প্রথমতে, ক'ব পাৰো যে পীতাম্বৰ কবিৰ আদি ৰসাত্মক বর্ণনাৰ প্রতি দুর্বলতা আছিল। দ্বিতীয়তে, সেই সময়ছোৱাতে ভাগৱতৰ *দশমস্কন্ধ* অনুবাদৰ জৰিয়তে জনসাধাৰণৰ মাজত সুপৰিচিত হৈছিল। তৃতীয়তে, তেওঁ শঙ্কৰদেৱৰ সমসাময়িক আছিল।

'প্রেত কৌমুদী', 'সংক্রান্তি কৌমুদী' আদি স্মৃতি নিবন্ধ ৰচনা কৰা পণ্ডিত পীতাম্বৰ সিদ্ধান্তবাগীশ আৰু পীতাম্বৰ কবিক একেজন ব্যক্তি বুলি বহু পণ্ডিতে মত পোষণ কৰে। কিন্তু মহেশ্বৰ নেওগ প্রমুখ্যে কেইজনমান সাহিত্যৰ বুৰঞ্জীকাৰে এই সিদ্ধান্ত মানি লোৱা নাই। বর্তমানলৈকে পীতাম্বৰ দ্বিজে ৰচনা কৰা চাৰিখন পুথি পোহৰলৈ আহিছে। সেই কেইখন হ'ল— *ঊষা পৰিণয়, মার্কণ্ডেয়-চণ্ডী, ভাগৱতৰ দশম স্কন্ধ* আৰু *নল দময়ন্তী*।

বর্তমানলৈকে ছপা ৰূপত উপলব্ধ পীতাম্বৰ কবিৰ একমাত্র কাব্যখন হ'ল *ঊষা-পৰিণয়*। গুৱাহাটীস্থিত বুৰঞ্জী আৰু পু�ৰাতত্ত্ব বিভাগ (অসম)ৰ পুথিভঁৰালত এই কাব্যখনৰ তিনিটাকৈ নকল সংৰক্ষিত হৈ আছে। কাব্যত ইয়াৰ ৰচনাকাল 'বাণ যুত বাণ বেদ শশাঙ্ক ' শক অর্থাৎ ১৪৫৫ শক বুলি উল্লেখ কৰা আছে —

"কামতা নগৰ সুৰপুৰ অৱতাৰ।
একমুখে কে কহিব যেন গুণতাৰ।।
তাত পীতাম্বৰ নামে শিশুমতি।
ঊষা-পৰিণত গীত কৈলা সমাপতি।।
বাণ যুত বাণ বেদ শশাঙ্ক প্রমিত।
বৈশাখ মাসৰ শুক্ল পক্ষ পঞ্চমীত।।"

কাব্যখনত কবিজনাই কমতাপুৰৰ কথা উল্লেখ কৰিছে যদিও বিশ্বসিংহ নাইবা সমৰসিংহৰ কথা উল্লেখ কৰা নাই। সত্যেন্দ্রনাথ শর্মাই এই কাব্য সম্পর্কে মন্তব্য কৰিছে— "শৃঙ্গাৰ ৰসৰ প্রাচুর্যই, চপল কল্পনাৰ প্রাধান্যই আৰু নিজকে শিশুমতি পৰিচয় দিয়া কথাই কাব্যখন নবীন বয়সৰ ৰচনা বুলি প্রতীতি জন্মায়।" পীতাম্বৰে *ঊষা-পৰিণয়*খনক কাব্য বুলি উল্লেখ কৰাৰ পৰিৱর্তে গীত আৰু পাঞ্চালী বুলিহে কৈছে—

- ঊষা-পৰিণয় গীত কৈলা সমাপতি।
- ৰচিবো পাঞ্চালি তাতে জত দোষ থাকে।

হৰিবংশৰ বিষ্ণুপর্বৰ অন্তর্গত ১১৬শ অধ্যায়ৰ পৰা ১২৮শ অধ্যায়ৰ বিষয়বস্তুৰ গ্রহণ কৰি মূল কাহিনীভাগক পৰিৱর্তন নকৰাকৈ দুই-এটা পৰিস্থিতি আৰু চৰিত্র-সৃষ্টিতহে কবিয়ে মৌলিকতা আৰোপ কৰিছে। কামসেনা যক্ষিণী আৰু কোকিলা ধাইৰ কার্য-কলাপ, অনিৰুদ্ধ বিৰহৰ দুখত সন্ন্যাসী হোৱাৰ চেষ্টা— এনে দুই-এটা কথা নিজাকৈ সন্নিৱিষ্ট কৰিছে।

মার্কণ্ডেয় চণ্ডী পুথিখন বর্তমানলৈকে ছপা হোৱা নাই, কোচবেহাৰৰ উত্তৰ অঞ্চ ৰাজ্যিক পুথিভঁৰালত ইয়াৰে দুটি নকল সংৰক্ষিত হৈ আছে। তুলাপাতত লিখা এই নকলকেইটিৰ পৰা জানিব পাৰি যে যুৱৰাজ সমৰসিংহ (সংগ্রামসিংহৰ)ৰ আজ্ঞাক্রমে পীতাম্বৰ কবিয়ে *মার্কণ্ডেয়-চণ্ডী* ৰচনা কৰে—

"মহাৰাজ বিশ্বসিংহ কমতা নগৰে।
তাৰ পুত্র ভোগে তুল্য নহে পুৰন্দৰ।।
.....
পুৰাণাদি শাস্ত্রে সেহি ৰহস্য আছয়।
পণ্ডিতে বুঝয় মাত্র অন্যে না বুঝয়।।
একাৰণ শ্লোক ভাঙ্গি সবে বুঝিবাৰ।
নিজ দেশ ভাষা বন্দে ৰচিয়ো পয়াৰ।।
জেমন জুৱৰাজ আজ্ঞা কৈল মোৰে।
জাৰ আজ্ঞা অন্য অন্য ৰাজা ধৰে শিৰে।।
তাহাৰ আদেযে আমি স্থিৰ কৰি মন।
বিশেষ ভবানী কথা কৰি বিৰচন।।"

এই কাব্যখনৰ ৰচনাকাল সম্পর্কে মতবিৰোধ আছে। উল্লেখ্য যে কোচবেহাৰত সংৰক্ষিত হৈ থকা কাৰণে এই পুথিখন আৰু পিতাম্বৰ কবিক বাংলা সাহিত্যৰ অন্তর্ভুক্ত কৰি লৈছে বাংলা সাহিত্যৰ বুৰঞ্জীকাৰসকলে। সংস্কৃত *মার্কণ্ডেয় পুৰাণৰ* মুক্ত অনুবাদ এই কাব্যখনৰ বিষয়বস্তুৱে কবিক বৈষ্ণৱ আদর্শৰ প্রভাৱৰপৰা মুক্ত কৰি ৰাখিছে। ইয়াত কবিয়ে চণ্ডীৰ অসুৰ-বধ আখ্যান বর্ণনা কৰিছে।

পীতাম্বৰ কবিৰ *ভাগৱতৰ দশম স্কন্ধ* পুথিখনৰ এটি নকল কোচবেহাৰৰ উত্তৰ অঞ্চ ৰাজ্যিক পুথিভঁৰালত সংৰক্ষিত হৈ আছে। এই অসম্পূর্ণ পুথিখনৰ বহু ফলক নষ্ট হৈ চিনিব নোৱাৰা হৈছে আৰু ইয়াতে কবিয়ে যুৱৰাজ সমৰসিংহৰ পৃষ্ঠপোষকতাত এই পুথিখনি ৰচনা কৰিছিল বুলি উল্লেখ কৰিছে—


"অভিনৱ পুৰ শে জে কামতা নগৰ।
... ...আছয় বিশ্বসিংহ নৃপবৰ।।
তাহাৰ তনয় জে সমৰসিংহ নাম।
কৃষ্ণৰ লীলাত তাঞে য়তি অভিৰাম।।
কৃষ্ণ পদ পদ্মে তাৰ ভকতি শততে।
... ...গুণ কিছু স্বভিশ্বাস (?) চির্ত্তে।।
শিশুমতি পিতাম্বৰ তাহাৰ সমিপে।
কৃষ্ণেৰ লীলাৰ পদ ৰচিল সংক্ষেপে।।"

পুথিখনত ইয়াৰ ৰচনাকাল সম্পর্কে কোনো কথা উল্লেখ নাই যদিও বিভিন্ন প্রমাণৰ ভিত্তিত ১৪৫৫ শক আৰু ১৪৬৮ শকৰ ভিতৰত এই পুথিখন ৰচনা কৰিছিল বুলি মতপোষণ কৰে। কবিয়ে মূলতঃ মূলানুগতভাৱে এই পুথিখন ৰচনা কৰিছিল যদিও ঠায়ে ঠায়ে অৱশ্যে তেওঁৰ চিন্তা-ভাৱনাক মুক্ত স্ফূৰণো দিছে। এই পুথিৰ পদ শুনি শঙ্কৰদেৱে তেওঁক 'শাক্ত, তামসিক' আখ্যা দিছিল বাবেই সম্ভৱতঃ অসমৰ ভক্ত সমাজত এই পুথিখনে আদৰ নাপালে আৰু সেইবাবেই হৈ পৰিল ই দুষ্প্রাপ্য।

পীতাম্বৰৰ ভণিতা থকা আনখন পুথি হ'ল *নল-দময়ন্তী*। এই পুথিখনেও বর্তমানলৈকে ছপাৰ মুখ দেখা নাই। ইয়াৰে এটা নকল গুৱাহাটী বিশ্ববিদ্যালয়ৰ পুৰণি পুথি সংৰক্ষণ বিভাগত সংৰক্ষিত হৈ আছে। তুলাপাতত লিখা এই পুথিখনৰ আৰম্ভণিৰে কেইখিলামান পাত নাই। পুথিখনত কবিজনাৰ ভণিতা আছে এনেদৰে—

"অতি অনুপম কথা নলেৰ চৰিত্র।
শুনিলে সম্পদ বড়ে খণ্ডয় দুৰিত।।
পূন্য কথা পয়াৰ প্রবন্ধ পূন্যময়।
হৰি পৰসনে কবি পীতাম্বৰে কয়।।"

পুথিখনৰ ৰচনাকাল সম্পর্কে পণ্ডিতসকলৰ মতামত একে নহয়। কিন্তু নল-দময়ন্তীৰ ভাষা ভাগৱতৰ ভাষাতকৈ আধুনিক যেন লাগে আৰু ইয়াৰ ভাষা প্রৱাহশীল, স্পষ্ট আৰু আকর্ষণীয়। কবিয়ে *মহাভাৰতৰ* পৰা চয়ন কৰা কাহিনীভাগেৰে গীত আৰু পদৰ সংমিশ্রণত এই পুথিখন ৰচনা কৰিছে। এই পুথিখনৰ আটাইতকৈ মনোগ্রাহী কথাটি হ'ল কৰুণ ৰসৰ সাৱলীল আৰু মনোৰম প্রকাশ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ পীতাম্বৰ কবিৰ চাৰিওখন কাব্য সম্পর্কে এটি প্রবন্ধ যুগুত কৰক? (১৫০-৩০০টা শব্দৰ ভিতৰত লিখক)

৩.৪.৩ মনকৰ

মনকৰেও তেওঁৰ আত্মপৰিচয় সম্পর্কে বৰ বিশেষ কথা তেওঁৰ গীত পদৰ মাজেদি ব্যক্ত কৰা যোৱা নাই। নিজৰ পৰিচয়ৰ প্রসঙ্গত 'কালিন্দ্রী মাৱৰ গুণ সুজন নাযায়' বুলি কোৱাৰ পৰা ধাৰণা কৰা হয় যে তেওঁৰ মাতৃৰ নাম আছিল কালিন্দ্রী। এওঁৰ কাব্যখনত 'কামৰূপৰ কামাখ্যা বন্দো ঢেকেৰিআৰ নাতি' বুলি উল্লেখ কৰা কথাখিনি অলপ খোঁকোজা লগা। কালিৰাম মেধিয়ে এই 'ঢেকেৰিআৰ নাতি' শব্দাংশৰ আধাৰতে ঢেকেৰীয়া ৰজাৰ নাতি ৰূপে আখ্যা দিব বিচাৰে আৰু তেওঁৰ সময়সীমা দ্বাদশ-ত্রয়োদশ শতিকা বুলি ক'ব খোজে। কিন্তু পৰৱর্তী সময়ত মেধিৰ এই কথাযাৰ মানি লোৱা নহ'ল। কাৰণ 'ঢেকেৰীআৰ নাতি' হোৱা হ'লে মন কৰে কেতিয়াও কমতা ৰজাক বন্দনা নকৰিলেহেঁতেন। তদুপৰি

ঢেকেৰীআ পদটো 'ঢেক'ৰ (অর্থাৎ— ৰাগ-ৰাগিনীৰ) বিশেষণবাচক শব্দ। যিজনে ৰাগ টানে বা ৰাগ-ৰাগিনীযুক্ত গীত গাই তেঁৱেই ঢেকেৰীয়া। মনকৰ আছিল ওজা বা গীতাল। তেওঁৰ ককাকো গীতাল আছিল বুলি অনুমান কৰি জনসমাজত 'ঢেকেৰীয়া' ৰূপে পৰিচিতি লাভ কৰিছিল বুলি বহু পণ্ডিতে মত দিয়ে। মনকৰে সেইবাবেই নিজকে 'ঢেকেৰীআৰ নাতি' বুলি মন্তব্য কৰিছে বুলি এইচাম পণ্ডিতে মত আগবঢ়ায়।

কবিয়ে তেওঁৰ ৰচনাৰ এঠাইত উল্লেখ কৰিছে যে 'কমতাইৰ ৰাজা বন্দো ৰাজা জল্পেশ্বৰ।/একশত মহিষি বন্দো অঠাৰ কুমৰ।।' দুর্গাবৰ কায়স্থৰ *পদ্মাপুৰাণ*তো 'কমতা ঈশ্বৰ ৰাজা বন্দো বিশ্বসিংহ নৃপবৰ। আঠচল্লিশ মহিষী বন্দো অঠৰ কোঁৱৰ' বুলি উল্লেখ থকাৰ পৰা মহেশ্বৰ নেওগে মত পোষণ কৰে যে জল্পেশ্বৰ আৰু বিশ্বসিংহ একেজন ৰজা। বিশ্বসিংহৰ ৰাণীৰ (মহিষিৰ) সংখ্যা লৈ এওঁলোক দুজনৰ মাজত তথা বিভিন্ন বুৰঞ্জীকাৰৰ মাজত অমিল আছে যদিও কোঁৱৰৰ সংখ্যা যে ওঠৰ সেয়া সর্বজন স্বীকৃত। এই কথাৰ পৰাই অনুমান কৰা হয় যে মনকৰ বিশ্বসিংহৰ আমোলৰে কবি।

মনকৰে ৰচনা কৰা পুথিখন হ'ল *পদ্মাপুৰাণ* বা *মনসাপুৰাণ* বা *মনসাকাব্য* বা *মনকৰী*। অৱশ্যে কবিবৰে তেওঁৰ দ্বাৰা বিৰচিত মনসা কথা বৃত্তক 'পদুমাইৰ গীত', 'পাঞ্চালী' বা 'শ্রাবনেৰ গীত' বুলিহে আখ্যা দিছে। যথা—

- মনকৰে ৰচিলেক পদুমাইৰ গীত।
- মনকৰে ৰচিলেক বিহাৰ পাঞ্চালি।
- মনকৰে ৰচিলেক শ্রাৱনেৰ গীত।

বর্তমানলৈকে মনসা কাব্য সম্পূর্ণ ৰূপে ছপা হৈ ওলোৱা নাই। সত্যেন্দ্রনাথ শর্মা আৰু বিৰিঞ্চি কুমাৰ বৰুৱাৰ সম্পাদনাত (প্রথম প্রকাশ, ১৯৫১) এটা খণ্ডহে ছপা হৈ ওলাইছে। অৱশ্যে কামাখ্যাধাম তথা বামুন্দি শুৱালকুছিৰ কেইবাটাও পৰিয়ালত এই পুথিখনৰ হাতেলিখা প্রতিলিপি এতিয়াও সংৰক্ষিত হৈ আছে। ছপা হোৱা পুথিখনৰ আধাৰত ক'ব পৰা যায় যে সৰস্বতীৰ বন্দনাৰে আৰম্ভ হোৱা এই পুথিখন তিনিটা খণ্ডত ভাগ কৰি ৰচনা কৰা হৈছে। যথা— (১) সৃষ্টি খণ্ড, (২) হৰ-পার্বতীৰ বিৱাহ খণ্ড আৰু (৩) পদ্মাৰ জন্ম খণ্ড। প্রথম খণ্ডত ১৩টা, দ্বিতীয় খণ্ডত ৪৮টা আৰু তৃতীয় খণ্ডত ১৫টা গীত সন্নিৱিষ্ট হৈছে। সৃষ্টি খণ্ডটিত বিভিন্ন দেৱ-দেৱী জন্মৰ সহিতে মনসা পূজাৰ লগত জড়িত বিভিন্ন অনুষংগৰ জাগৰণ, সৃষ্টি পাতন, অনাদি ব্রহ্মৰ দ্বাৰা ব্রহ্মা, বিষ্ণু আৰু শঙ্কৰৰ পৰীক্ষা আৰু মহাদেৱৰ গর্ভত অনাদি ব্রহ্মৰ স্থিতি, পদ্মাৰ পূজাৰ সময় আৰু প্রয়োজনীয় সামগ্রীৰ আভাস, হেমন্ত ঋষিৰ তপস্যা আৰু দুর্গাৰ উৎপত্তি, দুর্গাৰ জন্ম বৃত্তান্ত, পদ্মাৰ জন্ম কথা আৰু স্বর্গৰ পৰা মর্ত্যলৈ অৱতৰণৰ কথা বর্ণনা কৰা হৈছে।

হৰ-পার্বতীৰ বিৱাহ খণ্ডটিও দেৱ-দেৱী তথা কমতা ৰজাৰ বন্দনাৰে আৰম্ভ কৰি দুর্গাক লাভ কৰিবলৈ শিৱই কৰা বিভিন্ন যত্ন, ফুলনি নির্মাণ, ফুলনিত শিৱ দুর্গাৰ মিলন, শিৱৰ বিৱাহ যাত্রা আৰু শিৱ-পার্বতীৰ বিৱাহৰ প্রস্তুতি তথা ব্রহ্মাৰ দ্বাৰা হোম-

যজ্ঞৰ সম্পাদনেৰে শেষ হৈছে। তৃতীয় খণ্ডটিত পুষ্প-বনলৈ শিৱৰ যাত্রা, তাতে হংস-হংসীৰ কাম-ক্রীড়া দেখি শিৱৰ বীর্যস্খলন, সেই বীর্য সৰোবৰৰ পদ্মপত্রত পৰাত পদ্মনলাৰে পাতাল প্রৱেশ আৰু বীর্যৰ পৰা পদ্মাৰ জন্ম, পদ্মাক দেখি শিৱৰ কাম-মোহ প্রাপ্তি আৰু পিতা-পুত্রীৰ পৰিচয়, মক্ষিকা ৰূপ ধাৰণ কৰি শিৱৰ কৰণ্ডিত পদ্মাৰ প্রৱেশ আৰু পিতৃগৃহলৈ যাত্রা, শিৱৰ দ্বাৰা ঘৰৰ চালত কৰণ্ডি স্থাপন। সন্দেহবশতঃ গংগা-দুর্গাৰ দ্বাৰা শিৱৰ কৰণ্ডি পৰীক্ষা কৰিবলৈ অনুমতি বিচৰা বর্ণনাতেই ছপা পুথিখন সামৰণি পৰাত বর্ণনাটি অসম্পূর্ণ হৈ ৰ'ল। মনকৰৰ এই পুথিখনত চান্দো সদাগৰ আৰু বেউলা লখিন্দৰ সম্পর্কীয় কাহিনীভাগ বর্ণিত হোৱা নাই। অৱশ্যে কবিয়ে যে এইখিনি বর্ণনা কৰিবলৈ মনস্থ কৰিছিল তাৰ আভাস ছপা পুথিখন আছে—

"মায়ক ডঙ্কিয়া ভৈল মনসাই।
কাঞ্চেৰ মেড়ত পশি ডংকিবো লখাই।।"

এই অসম্পূর্ণ কাব্যখনৰ পৰাই মনকৰৰ ৰচনাৰীতি সম্পর্কে কিছু তথ্যৰ সন্ধেদ পোৱা যায়। মনকৰ যে স্বভাৱ কবি আছিল, লৌকিকতাক অধিক গুৰুত্ব দিছিল সেই বিষয়ে গম পাব পাৰি। মনকৰৰ কাব্যখনৰ চৰিত্রসমূহ দেৱ সুলভ গাম্ভীর্য বা মহত্বৰে উদ্ভাসিত নহয় বৰং মানবীয় ঈর্ষা, দুর্বলতা, যৌন আবেগেৰেহে পৰিচালিত। নাৰদৰ চৰিত্রটিও আমাৰ লোকসমাজৰ টেটোন চৰিত্রৰ দৰে, পদ্মাৰ চৰিত্রটি ভালদৰে ফুটি নুঠিল। বহু সময়ত কাব্যখনৰ শৃঙ্গাৰ ৰসৰ বর্ণনাই শ্লীলতাৰ সীমা চেৰাই যোৱা যেন অনুভৱ হয়, হাস্যৰসো প্রায়ে স্থূল ৰূপত চিত্রিত হৈছে। উপমা অলংকাৰৰ দ্বাৰা মনকৰৰ ভাষা ভাৰাক্রান্ত নহয়, গীতবোৰৰ আৰম্ভণিতে ৰাগ-ৰাগিনীৰ উল্লেখ নাই যদিও দিহাৰ উল্লেখ আছে, লয়-তাল-মানযুক্ত সাংগীতিক গুণসম্পন্ন আৰু ভাষাও লোকজীৱনৰ পৰা আহৰিত।

মনকৰৰ এই পুথিখনত লোকজীৱনৰ মনস্তত্ত্ব, ভাব-আবেগ, দ্বেষ-ঈর্ষা, অন্ধবিশ্বাস, আচাৰ-ব্যৱহাৰ সুন্দৰ ৰূপত ফুটি উঠিছে। তদানীন্তন সমাজ জীৱনৰ বিভিন্ন চিত্র, যেনে— হৰ-পার্বতীৰ বিয়া, কৃষিকার্যৰ বর্ণনা, সাজ-পোচাক, অলংকাৰ, জোৰোণ দিয়া প্রথা, প্রসূতি গৃহৰ চিত্র, হোম যজ্ঞৰ বিৱৰণ আদি সুন্দৰ ৰূপত বিশদভাৱে বর্ণিত হৈছে। লোককাব্যৰ শৈলী, বৈশিষ্ট্য, অকৃত্রিমতা আৰু প্রৱাহশীলতাই হ'ল মনকৰৰ ৰচনাৰ অন্যতম বৈশিষ্ট্য আৰু এওঁৰ কাব্যত পুৰাণ সদৃশ বিস্তৃতি নাই আছে কাব্য সদৃশ ঘটনাৰ সংহতি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ মনকৰৰ কাব্যৰীতি সম্পর্কে আপোনাৰ অভিমত প্রকাশ কৰক? (১৫০-৩০০টা শব্দৰ ভিতৰত লিখক)

৩.৪.৪ সুকবি নাৰায়ণদেৱ

মৌখিক পৰম্পৰাৰে প্ৰচলিত মনসা কথা বৃত্তক মহাকাব্যিক ৰূপ প্ৰদান কৰা সকলৰ ভিতৰত অন্যতম হ'ল সুকবি নাৰায়ণদেৱ। আন আন প্ৰাচীন কবিসকলৰ দৰেই এই জনা কবিৰো জন্মস্থান, সময়, জাত-কুল আদি লৈ বিতৰ্কৰ অন্ত নাই। কবিয়ে তেওঁৰ নাম সুকবি নাৰায়ণদেৱ বুলি উল্লেখ কৰাৰ লগতে তেওঁৰ পিতাকৰ নাম যে নৰসিংহ আছিল সেই বিষয়েহে ৰচনাৰাজিৰ মাজেদি আমাক জানিবলৈ দিছে। এইজনা কবিৰ *পদ্মাপুৰাণ* অঙ্গদেশত সমানে জনপ্ৰিয়। সেইবাবে বহু বঙলা সমীক্ষকে তেওঁক বঙলা ভাষীৰূপে সাব্যস্ত কৰিবলৈ বিচাৰে যদিও পুথিখনত ব্যৱহৃত ভাষা, পৰিচিত স্থানৰ উল্লেখ, বৰ্ণিত ৰীতি-নীতিৰ লগতে *পদ্মাপুৰাণ*খনৰ জনপ্ৰিয়তা, আখ্যানভাগ সম্পৰ্কে প্ৰচলিত বিভিন্ন জনশ্ৰুতি আৰু অসমত প্ৰাপ্ত প্ৰতিলিপিৰ সংখ্যালৈ লক্ষ্য কৰি এওঁক অসমীয়া কবিৰূপে ঠাৱৰ কৰা হৈছে।

এওঁৰ সময়সীমা সম্পৰ্কে ভিন্নমত পোষণ কৰে বিভিন্ন সমীক্ষকে। সুকুমাৰ সেনৰ মতে এওঁ ষোড়শ শতিকাৰ আৰু খেনোৰ মতে দ্বাদশ-ত্ৰয়োদশ শতিকাৰ আৰু খেনোৰ মতে সপ্তদশ শতিকাত। নাৰায়ণদেৱে দৰঙী ৰজা ধৰ্মনাৰায়ণৰ (১৬১৫-১৬৩৭)ৰ পৃষ্ঠপোষকতা কৰাৰ সপক্ষে বহু মত পোৱাৰ আধাৰত সত্যেন্দ্ৰনাথ শৰ্মাই '... তেওঁ সপ্তদশ শতিকাৰ আদিভাগৰ কবি আছিল বুলি মন্তব্য কৰিছে।' আনহাতে পাঁচালী সাহিত্যৰ সংগ্ৰাহক ভৰত চন্দ্ৰ দাসৰ মতে সুকবি নাৰায়ণদেৱ শুৱালকুছিৰ বাসত্তৰীয়া ব্ৰাহ্মণ পৰিয়ালত জন্ম গ্ৰহণ কৰিছিল আৰু উক্ত পৰিয়ালত এতিয়াও নাৰায়ণদেৱৰ *পদ্মাপুৰাণ* সংৰক্ষিত আছে।

*পদ্মাপুৰাণ*ৰ ভণিতাত নাৰায়ণদেৱৰ বিভিন্ন নাম, যেনে— বিপ্ৰ জানকীনাথ, বিপ্ৰ ৰঘুনাথ আদিৰ উল্লেখেৰে ভণিতা আছে। বহুতে এয়া ওজা পৰম্পৰাৰ এক বৈশিষ্ট্য বুলিও চিহ্নিত কৰিব বিচাৰে। হিন্দু-মুছলমান উভয় সম্প্ৰদায়ৰ মাজত নাৰায়ণদেৱৰ পুৰাণখন এসময়ত বৰ জনপ্ৰিয় আছিল। সেয়ে বিভিন্ন জন ওজাই নিজৰ ধৰণে বহু কথা সংযোগ কৰি এইদৰে ভণিতা পেলাব পাৰে বুলিও অনুমান কৰা হয়। এই পুৰাণখনৰ বহু বিৱৰণ প্ৰক্ষিপ্ত। সত্যেন্দ্ৰনাথ শৰ্মাই সেইবাবে মন্তব্য কৰিছে— 'অতি প্ৰাচীন কালত সূতবিলাকে পুৰাণ কথা ব্যাখ্যা কৰোঁতে নিজস্ব কথা কিছুমান সুমুৱাই দি যেনেকৈ *মহাভাৰত*, *পুৰাণ* আদিৰ কলেৱৰ বৃদ্ধিত সহায় কৰিলে, তেনেকৈ ওজা পৰম্পৰাৰ হাতত সুকবি নৰায়ণৰ *পদ্মাপুৰাণে* বিস্তৃতি লাভ কৰে।'

নাৰায়ণদেৱৰ নামত প্ৰাপ্ত একমাত্ৰ পুথি এই *পদ্মাপুৰাণ*খনৰ কলেৱৰ বহু ডাঙৰ। জনসমাজত সুকনান্নী নামেৰে প্ৰচলিত এই কাব্যখনক কবিয়ে কিন্তু 'পাঞ্চালী' বুলিহে আখ্যা দিছে। সুকনান্নী পদটো 'সুকবি নাৰায়ণদেৱ নিগদতি' বাক্যটোৰ প্ৰতিটো পদৰ আদ্য অক্ষৰৰ সংযোগত সিদ্ধ হৈছে— সু(সু)+ক (কবি) +না(নাৰায়নদেৱ) +নি(নিগদতি)

= সুকনানি। আৰু আদ্য শ্বাসাঘাটৰ হেতু মধ্যস্বৰ 'অ' লোপ পোৱা বাবে পদটো 'সুকনান্নি' বা 'সুকনান্নী' ৰূপে উচ্চাৰিত হৈছে। নাৰায়ণদেৱৰ *পদ্মাপুৰাণ*ৰ বিষয়বস্তুক সাধাৰণতে তলত দিয়া ধৰণে বিভাজন কৰি দেখুৱাব পাৰি বুলি নবীনচন্দ্ৰ শর্মাই মত পোষণ কৰে।

(ক) উজনি খণ্ড

(খ) ভাটীয়ালী খণ্ড

ইয়াৰে উজনি খণ্ডত সৃষ্টি পাতনৰ পৰা আৰম্ভ কৰি চন্দ্ৰধৰৰ কাহিনী, বেউলা-লখিন্দৰৰ বিৱাহ আৰু উভয়কে মেৰঘৰত থোৱালৈকে বিস্তৃত। আনহাতে, ভাটীয়ালী খণ্ডত লখিন্দৰক বধ কৰিবলৈ উপায় বিচাৰি নাপাই পদ্মাৱতীয়ে নেতাৰ গলত ধৰি কন্দাৰ পৰা আৰম্ভ কৰি, লখিন্দৰক দংশন, বেউলাৰ অনির্দিষ্ট যাত্ৰা আৰু পদ্মাৱতীয়ে তেওঁক জীয়াই তোলা তথা চন্দ্ৰধৰে মনসাক আনুষ্ঠানিকভাৱে পূজা দিয়া এই সকলোখিনিক সামৰা হৈছে।

*পদ্মাপুৰাণ*খন মহাকাব্য বা *পুৰাণ*ৰ দৰে বিভিন্ন উপ-কাহিনীৰে ভৰপূৰ আৰু গোটেইখন গীতৰ সমষ্টি। কবিয়ে নিজেই উল্লেখ কৰিছে যে—

- মধুৰ কোমলগিত উদয় প্ৰকাস।
- সুকবি নাৰায়ণদেৱৰ মধুৰ সংগতি। ইত্যাদি।

গোটেই পুৰাণখনত গীতবোৰত প্ৰায়বোৰ দিহাৰ লগত বিভিন্ন ৰাগ-ৰাগিনী বান্ধি দিয়া হৈছে। তদুপৰি সাঙ্গীতিক লয় ৰক্ষা কৰিবৰ বাবে পদ আৰু দিহাত 'আৰে-হে', ভালহে ন্যাৰ-ৰে' আদি শব্দাংশৰ প্ৰয়োগ কৰা হৈছে। এই পুৰাণখনত ব্যৱহৃত হোৱা ৰাগ-ৰাগিনীবোৰৰ ভিতৰত উল্লেখযোগ্য কেইটিমান হ'ল— শ্ৰী, ঝুলুনা, মল্লাৰ, ভৈৰৱী, পটমঞ্জৰী, ধনশ্ৰী, ভাঠিয়ালী, নাট, শ্ৰীবসন্ত, কৰুণা ভাটিয়ালী, কেদাৰ, পাহাৰী, কৰুণা, অহিৰ, বৰাৰি, ৰামাগিৰি, পাসজ চই (চয়) আদি। উল্লেখ্য যে এইখন *পুৰাণ*ত সন্নিৱিষ্ট প্ৰতিটো গীতেই পাঞ্চালী সঙ্গীতৰ ৰীতি-অনুসৰি দিহা সংযোজিত হৈছে।

*পদ্মাপুৰাণ*খন মূলতঃ দেৱী মাহাত্ম্য, অর্থাৎ মনসা দেৱীৰ মাহাত্ম্য প্ৰকাশৰ গ্ৰন্থ যদিও ইয়াত চৰিত্ৰ সৃষ্টিৰ ক্ষেত্ৰত কবিজনাই পিছে কেৱল মনসাকে গুৰুত্ব প্ৰদান কৰা নাই। মনসাৰ উপৰি আন আন চৰিত্ৰ, যেনে— শিৱ মহাদেৱ, নাৰদ, চান্দো সদাগৰ, নেতা, সোণেকা, বেউলা আদি প্ৰতিটো চৰিত্ৰই সমানে গুৰুত্ব পাইছে। অৱশ্যে ইয়াত চৰিত্ৰসমূহে বৈদিক বা পৌৰাণিক চৰিত্ৰৰ দৰে হৈ নাথাকি লৌকিক গ্ৰাম্য দেৱ-দেৱতাৰ ৰূপ পৰিগ্ৰহ কৰিছে। লোকজীৱনৰ বাস্তৱ অভিজ্ঞতাৰ আধাৰত পল্লৱিত হৈছে প্ৰতিটো চৰিত্ৰ। চৰিত্ৰসমূহ সাধাৰণ মানৱীয় আচাৰ অনুভূতিৰে, স্থানীয় মাটিৰ গোন্ধৰে সিক্ত। নাৰায়ণদেৱে দেৱী-মাহাত্ম্য প্ৰকাশকে মূল লক্ষ্য হিচাপে লৈছে যদিও কবিৰ আদর্শ বৈষ্ণৱ কবিসকলৰ দৰে আদর্শ প্ৰধান নহয়, অধিক গুৰুত্ব লৌকিকতাহে।

গোটেই *পুৰাণ*খনত বর্ণিত বিভিন্ন ঘটনা-উপঘটনাত অসমৰ সমাজ জীৱনৰ বিভিন্ন চিত্ৰই সবলভাৱে ভুমুকি মাৰিছে। প্ৰণিধানযোগ্য যে বিভিন্ন সমীক্ষকে তথা

সাহিত্যৰ সমালোচকসকলে লোককাব্য তথা মৌখিক সাহিত্যত অতিৰঞ্জনৰ প্ৰকাশ ঘটাতো অপৰিহাৰ্য শৈলী বুলি অভিহিত কৰে। এইখন কাব্যটো কাহিনীৰ বিকাশ, চৰিত্ৰ সৃষ্টি পৰিৱেশ সৃষ্টি আদিত অতিৰঞ্জনৰ সমাৱেশ লক্ষ্য কৰা যায়। কবি নাৰায়ণদেৱৰ ৰচনাত শব্দালংকাৰ আৰু অর্থালংকাৰ প্ৰয়োগো এক উল্লেখযোগ্য বৈশিষ্ট্য। উদাহৰণস্বৰূপে—

"পত্ৰাৱলী কপালে ৰচিকা নানা ৰূপে।
বিজুলী চটক যেন মেঘৰ সমুখে।।
মদন ধনুক জিনি দুয়ো ভুৰ ৰঙ্গ।
সঞ্জন জিনিয়া যেন নয়ন সুৰঙ্গ।।"

ৰস সৃষ্টি ক্ষেত্ৰটো নাৰায়ণদেৱে দক্ষতাৰ পৰিচয় দাঙি ধৰিছে। কবিৰ প্ৰিয়ৰস হ'ল কৰুণ। সেইবাবেই সমীক্ষকসকলে মন্তব্য কৰে নাৰায়ণদেৱৰ নিৰ্মিতি বিশেষৰ অঙ্গীৰস কৰুণ। ই যেন কবি নাৰায়ণদেৱৰ কৰুণ ৰসৰ মূৰ্তিমান প্ৰকাশ। মধ্যযুগীয় অসমৰ বেপাৰ-বাণিজ্য, বিনিময়ৰ মাধ্যম, উৎপাদিত সামগ্ৰী প্ৰভৃতিৰ বিষয়ে, অসমত শক্তিধর্মৰ প্ৰচলনৰ প্ৰমাণ স্বৰূপে এইখন পুৰাণত বিভিন্ন তথ্য সন্নিৱিষ্ট হৈছে।

নবীনচন্দ্ৰ শর্মা প্ৰমুখ্যে বিভিন্ন সমীক্ষকে *পদ্মাপুৰাণ*ৰ 'ভাটিয়ালী' বা ভাইঠেলী খণ্ডটোক আটাইতকৈ মনোৰম বুলি স্বীকৃতি দিছে আৰু এই খণ্ডটোতে নাৰায়ণদেৱৰ প্ৰতিভাই পূৰ্ণ বিকাশ লাভ কৰিছে বুলিও মন্তব্য কৰে। নাৰায়ণদেৱে পয়াৰ আৰু লাচাৰি ছন্দৰ নামোল্লেখ কৰি তেওঁৰ পুৰাণখনত এইকেইটা ছন্দ সজ্ঞাযে প্ৰয়োগ কৰিছে তাৰে ইংগিত দিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ সুকবি নাৰায়ণদেৱৰ *পদ্মাপুৰাণ*খনৰ ভাটিয়ালী অংশটো অতিকে মনোৰম বুলি বিভিন্ন সমীক্ষকে দিয়া মতামতটি সম্পর্কে আপোনাৰ নিজস্ব মতামত প্ৰকাশ কৰক? (১৫০-৩০০টা শব্দৰ ভিতৰত লিখক)

৩.৪.৫ ষষ্ঠীবৰ

বেণুধৰ ৰাজখোৱাৰ *Notes on the Sylheti Dialect* (1913) নামৰ ৰচনাখনত মনসা কথাবৃত্তক লিখিত ৰূপ প্ৰদান কৰা ষষ্ঠীবৰৰ ৰচনাৰ চানেকি পোৱা যায়। পোন প্ৰথমবাৰৰ বাবে এইখন ৰচনাতে ষষ্ঠীবৰ কবিৰ ৰচনা সম্পর্কে সম্ভেদ পোৱা যায়। বাংলা পণ্ডিতসকলে এওঁক শ্ৰীহট্টৰ লোক বুলি অভিহিত কৰি বাংলা কবিৰ পৰিধিত সামৰিছে। কিন্তু ১৯৪৭ চন পর্যন্ত শ্ৰীহট্ট অঞ্চল অসমৰ চাৰিসীমাৰ ভিতৰত আছিল। তদুপৰি ৰচনা কৰা মনসা কথাবৃত্তৰ ভাষা পুৰণি অসমীয়া ভাষাৰ লগত বেলেগ নহয়।

ষষ্ঠীবৰৰ সময় সম্পৰ্কেও সঠিক তথ্য উপলব্ধ নহয়। প্ৰচলিত জনশ্ৰুতি আৰু নিৰ্মিতি বিশেষৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যৰ আধাৰত ঠাৱৰ কৰিব পাৰি যে এওঁ খ্ৰীষ্টিয় সপ্তদশ শতিকাৰ লোক আছিল আৰু নাৰায়ণদেৱৰ পৰৱৰ্তী কবি আছিল। দ্বিতীয়তে অশ্বমেধ পৰ্বৰ ৰচয়িতা কবি গঙ্গাদাসৰ পিতৃৰ নাম ষষ্ঠীবৰ আছিল। হেমচন্দ্ৰ গোস্বামীয়েও গংগাদাসক ষষ্ঠীবৰৰ পুত্ৰ বুলি স্বীকাৰ কৰিছে যদিও বঙলা লোক বুলিহে ঠাৱৰ কৰিছে। কিন্তু পৰৱৰ্তীকালৰ গৱেষকসকলে প্ৰমাণ কৰিছে যে এওঁ অসমৰে ব্যক্তি আছিল। গঙ্গাদাসে তেওঁৰ কাব্যত লিখিছে এনেদৰে—

"হেন সন্ত মহন্তৰ কৰি নমস্কাৰ।
বিৰচিবো অশ্বমেধ পৰ্ব্ব কথা সাৰ।।
নিগদতি গঙ্গাদাস সষ্ঠিবৰ সুত।
মোৰ সম নাহি মূঢ় অতি অদভূত।।"

বেণুধৰ ৰাজখোৱাই যুক্তিসহ প্ৰতিপন্ন কৰিছে যে শ্ৰীহট্টৰ ভাষাৰ লগত পুৰণি অসমীয়া ভাষাৰ কোনো ধৰণৰ পাৰ্থক্য নাই। এইফালৰ পৰা ষষ্ঠীবৰৰ *মনসা পুৰাণ*ৰ ভাষা অসমীয়া বুলি নিশ্চিতভাৱে ক'ব পাৰি। তেওঁৰ ভাষাৰ চানেকি হিচাপে দাঙি ধৰা হ'ল—

"ধনাই দানৱে বোলে মনাই না ৰে ভাই।
তোৰ ঘৰে দুই স্ত্ৰী মোৰ ঘৰে নাই।।
গায়েৰ অলঙ্কাৰ বস্ত্ৰ তুমি তাৰে নেও।
সুদা মনুষ্য গোটা মোকে তুলি দেও।।
কহে ষষ্ঠীবৰ কবি সৰস পাঁচালী।
দুই ভাইৰ মধ্যতে লাগিল চুলাচুলি।।"

ষষ্ঠীবৰ কবিয়ে ৰচনা কৰা *মনসা কাব্য*খনত বেউলা-লখিন্দৰৰ কাহিনীভাগে বিশেষভাৱে প্ৰাধান্য লভিছে আৰু কৰুণ ৰসৰ সাৰ্থক প্ৰকাশ ঘটিছে। এওঁৰ ৰচনাশৈলী, মালিতাধৰ্মী। লৌকিকতা এইখন কাব্যৰো প্ৰধান বৈশিষ্ট্য। এওঁৰ ৰচনাত পিছে দুই এঠাইত আন আন মনসা কবিসকলৰ মত বেলেগ ধৰণে উপস্থাপিত হৈছে। যেনে— এওঁৰ মতে বেউলাৰ মাতৃৰ নাম কমলা, নাৰায়ণদেৱৰ মতে সুমিত্ৰা।

ষষ্ঠীবৰে মনকৰ, দুৰ্গাবৰ, নাৰায়ণদেৱৰ দৰে মুখ পৰম্পৰাত প্ৰচলিত মনসা কথাবৃত্তৰ আধাৰত সুকীয়া এক লিখিত মনসা পুৰাণ পৰম্পৰাৰ সৃষ্টি কৰে। উল্লেখ্য যে বৰ্তমানো বৰাক উপত্যকাৰ অঞ্চল বিশেষত ষষ্ঠীবৰৰ *মনসা পুৰাণ* আবৃত্তি কৰা হয়।



চিন্তা-চৰ্চা কৰক ৩.১

অধিক জানিবলৈত উল্লেখ থকা কিতাপ কেইখনৰ আধাৰত পাঁচালী কবিসকলৰ সময়সীমা সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰক।



৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- নৱবৈষ্ণৱ যুগত আত্মপ্রকাশ কৰিলেও বৈষ্ণৱ সাহিত্যৰাজিৰ বিষয়বস্তু, ৰচনাশৈলী, ৰূপ, গঠন আৰু আদর্শগত পার্থক্য বজাই ৰাখি সৃষ্টি হোৱা পাঁচালী বা পাঞ্চালী সাহিত্য সম্পর্কে অধ্যয়ন কৰিলে।
- বিভিন্ন সমালোচক, সমীক্ষক তথা সাহিত্যৰ ইতিহাসকাৰসকলে পাঁচালী বা পাঞ্চালী মানে কি সেই বিষয়ে আগবঢ়োৱা মতমতসমূহৰ বিষয়ে জ্ঞাত হোৱাৰ লগতে পাঁচালী যে এক ধৰণৰ ৰাগ-ৰাগিনীযুক্ত সাঙ্গীতিক শৈলী আৰু ওজাপালি অনুষ্ঠানৰ অনুষংগত পৰিৱেশন কৰা হয় সেয়া জানিব পাৰিলে।
- পাঁচালী সাহিত্যৰ পটভূমি সম্পর্কে সম্যক ধাৰণা লাভ কৰাৰ লগতে অসমীয়া পাঁচালী সাহিত্যক নবীনচন্দ্র শর্মাই তিনিটা শ্রেণীত যে বিভাজন কৰিছে সেই বিষয়ে জ্ঞাত হ'ল। তদুপৰি কিহৰ ভিত্তিত এই শ্রেণীবিভাজন কৰা হৈছে সেই বিষয়েও সম্যক ধাৰণা লাভ কৰিলে।
- উল্লেখযোগ্য অসমীয়া পাঁচালী কবি পীতাম্বৰ দ্বিজ, মনকৰ, সুকবি নাৰায়ণদেৱ, দুর্গাবৰ আৰু ষষ্ঠীবৰৰ জীৱন আৰু কৃতিৰ বিষয়ে অধ্যয়ন কৰিলে।



৩.৬ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) কটকী, প্রফুল্ল (২০০৫); *সাহিত্য সংজ্ঞা কোষ;* জ্যোতি প্রকাশ, পাণবজাৰ, গুৱাহাটী।

২) কাকতি, বাণীকান্ত (১৯৫৮); *পুৰণি অসমীয়া সাহিত্য;* লয়ার্ছ বুক ষ্টল, পাণবজাৰ, গুৱাহাটী।

৩) গোস্বামী, যতীন্দ্রনাথ (১৯৯৪); *অসমীয়া সাহিত্যৰ চমু বুৰঞ্জী;* মণি-মাণিক প্রকাশ, পাণবজাৰ, গুৱাহাটী।

৪) গোস্বামী, হেমচন্দ্র (১৯২৪); *অসমীয়া সাহিত্যৰ চানেকী;* কলিকতা বিশ্ববিদ্যালয়, কলিকতা।

৫) দাস, ভৰতচন্দ্র (১৯৬৫); *অসমীয়া সাহিত্যৰ বুৰঞ্জী (মনসা শাখা);* গুৱাহাটী।

৬) নেওগ, ডিম্বেশ্বৰ (১৯৫৮); *অসমীয়া সাহিত্যৰ বুৰঞ্জী;* যোৰহাট।

৭) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* চন্দ্র প্রকাশ, পাণবজাৰ, গুৱাহাটী।

৮) বর্মন, শিৱনাথ (সম্পাঃ) (১৯৯৭); *অসমীয়া সাহিত্যৰ বুৰঞ্জী (দ্বিতীয় খণ্ড);* আনন্দৰাম বৰুৱা ভাষা কলা-সংস্কৃতি সংস্থা, অসম।

৯) শর্মা, নবীন চন্দ্র (১৯৯১); *অসমৰ ওজাপালি*; অসম সাহিত্য সভা, যোৰহাট।

১০) শর্মা, নবীন চন্দ্র (১৯৯৬); *অসমৰ পৰিৱেশ্য-কলাঃ ওজাপালি*; বাণী প্রকাশ, গুৱাহাটী।

১১) শর্মা, নবীন চন্দ্র (সম্পাঃ ১৯৯৩); *পদ্মাপুৰাণ, 'ভাটীয়ালী খণ্ড'*; বাণী প্রকাশ গুৱাহাটী।

১২) শর্মা, নবীন চন্দ্র (১৯৯৬); *পুৰণি অসমীয়া সাহিত্যৰ সৌৰভ*; চন্দ্র প্রকাশ, গুৱাহাটী।

১৩) শর্মা, নবীন চন্দ্র (২০০৯); *ভাৰতৰ উত্তৰ-পূর্বাঞ্চলৰ পৰিৱেশ্য কলা*; বনলতা, পাণবজাৰ, গুৱাহাটী।

১৪) শর্মা, সত্যেন্দ্রনাথ (২০০৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* সৌমাৰ প্রকাশ, ৰিহাবাৰী, গুৱাহাটী।

১৫) শর্মা, সত্যেন্দ্রনাথ (১৯৮৮); *পুৰণি সাহিত্য অধ্যয়ন;* বাণী প্রকাশ, গুৱাহাটী।

বাংলা গ্রন্থ ঃ

১৬) আহমদ, খা চৌধুরী আমানতউল্লা (২০০১); *কোচ বিহারের ইতিহাস;* মডার্ণ বুক এজেঞ্চী প্রাইভেট লিমিটেড, কলিকতা।

১৭) চক্রবর্তী, হরিপদ (১৩৬৭ শক); *দাশরথি ও তাঁহার পাঁচালী*; কলিকতা।

১৮) বন্দোপাধ্যায়, অসিত কুমার (১৯৭৬); *বাংলা সাহিত্যের ইতিবৃত্ত*; কলিকতা।

১৯) সেন, সুকুমার (১৯৭৬); *বাঙ্গালা সাহিত্যের ইতিহাস* (১ম খণ্ড); কলিকতা।

ইংৰাজী গ্রন্থ ঃ

২০) Baruah, Birinchi Kumar (1978). *History of Assamese Literature*. Sahitya Akademi, New Delhi.

২১) Baruah, Hem (1965). *Assamese Literature*. NBT, New Delhi.

২২) Bhuyan, Surya Kumar (1956).*Studies in the Literature of Assam*. Lawyers Books Stall, Guwahati.

২৩) Kakati, Banikanta (1962). *Assamese : Its Formation and Development*. Lawyers Books Stall, Guwahati.

২৪) Kakati, Banikanta (ed.) (1959). *Aspects of Early Assamese Literature*. Gauhati University.

৩.৭ অধিক জানিবলৈ (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ বিভিন্ন পণ্ডিতে বিভিন্ন সময়ত ভিন্ ভিন্ মত আগবঢ়াইছে... ...সংস্কৃত 'পাঞ্চালিকা' শব্দৰ... ...নাট্যশাস্ত্রত... ...পাঞ্চাল বা কনৌজ দেশত প্রচলিত নৃত্য-গীতি বিশিষ্ট যি গীত শৈলী... ...পুৰা কথা আবৃত্তি কৰাৰ প্রসঙ্গত দৃশ্য-শ্রব্য উভয় দিশৰ দাবী পূৰণ... ...পঞ্চ অঙ্গ যুক্ত সঙ্গীত শৈলী... ...গীত বা সুৰ... ...সত্যেন্দ্রনাথ শর্মাই ব্যক্ত কৰা মত সম্পর্কে আলোচনা কৰিব লাগিব।

২নং প্রশ্নৰ উত্তৰ ঃ দুর্গাৱৰৰ *ৰামায়ণ* সম্পর্কে ৰাণীকান্ত কাকতিয়ে কৈছিল... ...কাব্যখনৰ পৰিৱেশ চিত্রণ... ...পৰিস্থিতি অঙ্কন... ...লৌকিকতাৰ আৱেশ... ...গীত-পদৰ উল্লেখ... ...আদিৰ বিষয়ে বহলাই আলোচনা কৰিব লাগিব।

৩নং প্রশ্নৰ উত্তৰ ঃ পীতাম্বৰ কবিৰ কাব্যসমূহৰ নাম... ...প্রকাশ হৈছেনে নাই ... ...*ঊষা পৰিণয়*... ...*মার্কণ্ডেয়-চণ্ডী*... ...*ভাগৱতৰ দশমস্কন্ধ*... ...*নল দময়ন্তী*... ...পুথি কেইখনৰ বিষয়ে বহলাই আলোচনা কৰিব লাগিব।

৪নং প্রশ্নৰ উত্তৰ ঃ মনকৰে কি কি ৰচনা কৰিছে... ... লোকজীৱনৰ মনস্তত্ত্ব... ...ভাব-আবেগ... ...দ্বেষ-ঈর্ষা... ...অন্ধবিশ্বাস... ...আচাৰ-ব্যৱহাৰ... ...তদানীন্তন সমাজ জীৱনৰ বিভিন্ন চিত্র... ...লোককাব্যৰ শৈলী... ...বৈশিষ্ট্য... ...অকৃত্রিমতা... ...প্রবাহশীলতা... ...কাব্য কেইখনত কেনেদৰে প্রকাশ পাইছে সেয়া বহলাই আলোচনা কৰিব লাগিব।

৫নং প্রশ্নৰ উত্তৰ ঃ *পদ্মাপুৰাণ*খন যে দুটা খণ্ডত ৰচনা কৰিছে... ... ভাটিয়ালী খণ্ডৰ বিষয়বস্তু... ...অসমৰ লোকজীৱন... ...চৰিত্র চিত্রণ... ...কাহিনীৰ বিকাশ... ...কাব্যখনৰ আংগিকগত দিশ... ...কাব্য কেইখনত কেনেদৰে প্রকাশ পাইছে সেয়া বহলাই আলোচনা কৰি সমীক্ষকসকলে প্রকাশ কৰা মত দি নিজৰ মত প্রতিপাদন কৰিব লাগিব।



৩. ৮ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ অসমীয়া পাঁচালী সাহিত্য সম্পর্কে এটি টোকা লিখক।

প্রশ্ন ২ ঃ চমুটোকা লিখক—

(ক) মনকৰ (খ) দূর্গাবৰ (গ) *পদ্মাপুৰাণ*

(ঘ) *গীতি ৰামায়ণ* (ঙ) ষষ্ঠীবৰ

প্রশ্ন ৩ ঃ পাঁচালী সাহিত্য মানে কোনখিনি সাহিত্যৰ কথা কোৱা হয়? বুজাই লিখক।

প্রশ্ন ৪ ঃ মনকৰৰ কাব্যকৃতি সম্পর্কে বহলাই লিখক।

প্রশ্ন ৫ ঃ নাৰায়ণদেৱৰ কাব্যখনত অসমীয়া সমাজজীৱনৰ চিত্র কেনেদৰে প্রকাশ পাইছে বহলাই আলোচনা কৰক।

প্রশ্ন ৬ ঃ পীতাম্বৰ দ্বিজৰ কাব্য কেইখনৰ বিষয়ে এটি প্রবন্ধ যুগুত কৰক।

*** ***** ***